# 2014

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ দিয়া : ১×১০=১০

(ক) 'কালিয় দমন' নাটখন কি ভাষাত ৰচিত?

(খ) শ্ৰীকৃষ্ণই কালিন্দী হ্ৰদৰ পৰা কালিনাগক দমন কৰি ক'লৈ পঠিয়াইছিল?

(গ) 'কালিয় দমন' নাটকৰ কাহিনীভাগ নাট্যকাৰে ক'ৰ পৰা গ্ৰহণ কৰিছে?

(ঘ) "টুমি জল্‌ডি বাবুকে গোৰা ফাটক দি আহিব লাগে।" বক্তাজনে কথাষাৰ কাক কৈছিল?

(ঙ) দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা ৰচিত ধেমেলীয়া নাটক দুখনৰ এখন 'মহৰী', আনখনৰ নাম কি?

(চ) মহেন্দ্ৰ বৰঠাকুৰ ৰচিত প্ৰথম নাটকখনৰ নাম কি?

(ছ) আজান ফকীৰৰ জন্ম ক'ত হৈছিল ?

(জ) 'জিকিৰ' শব্দৰ অৰ্থ কি ?

(ঝ) ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ 'এজাক জোনাকীৰ জিলমিল' নাটিকাখনিৰ বিষয়বস্তুৰ পটভূমি কি ?

(ঞ) 'এজাক জোনাকীৰ জিলমিল' নাটিকাখনিত উল্লেখ কৰা সন্ত্ৰাসবাদী দলটোৰ নেতা কোন ?

২। অতি চমু উত্তৰ দিয়া : ২×৫=১০

(ক) "হে মাতা, হে পিতা, হে গোপ-গোপীসব। আজু ৰাত্ৰি ব্ৰজ যাইতে পাৰয়ে নাহি। যব সবহি ভল্ল দেখহ, তবে এথাতে ৰজনী বঞ্চহ।" ইয়াত কোনে, ক'ত ৰাতি বঞ্চাৰ কথা কৈছে ?

(খ) "ধৰ্ম, ঈশ্বৰ বা আল্লা মানুহৰ বাবেহে। আগতে মানুহ হৈ লোৱা। তাৰ পিছত ধৰ্মৰ নাম ল'বা।" এইদৰে কোনে, কাক কৈছিল ?

(গ) ভাবিৰাম কোন ? তেওঁ কাৰ পৰা ঘোঁৰা লৈ ঔগুৰি বাগিচালৈ গৈছিল ?

(ঘ) "এনেকুৱা ক্ষন্তেকীয়া মৰমক ভয় কৰি চলিব লাগে।" কথাষাৰৰ বক্তাজন কোন ? ইয়াত কাৰ মৰমক ক্ষন্তেকীয়া বুলি কোৱা হৈছে ?

(ঙ) "মোৰ বুকু উদংকৈ গ'লে, মই কাৰ মুখ চাই থাকিম ?" বক্তাজনৰ বুকু কোনে উদং কৰি থৈ ক'লৈ যোৱাৰ কথা কৈছে ?

৩। চমুকৈ উত্তৰ দিয়া : ৫×৪=২০

(ক) ‘‘তদনন্তৰ নিদ্ৰাতে ব্ৰজবাসীক বনাগ্নি বেঢ়ল।’’ কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

(খ) ‘‘যি গৰীৱক মাৰি ধন গোটায়, সিহঁতৰ ধৰম-কৰম নাই। সিহঁত খুন পিয়া, সেইটোৱেই সিহঁতৰ ধৰ্ম।’’ কোনে, কি প্ৰসংগত এনেদৰে কৈছে, বিশ্লেষণ কৰা।

(গ) ‘‘গোম সাপৰ কণী ভাঙিলা যেতিয়া, এতিয়া আৰু ৰাইখ নাই।’’ কথাষাৰৰ বক্তাজন কোন? তেওঁ কাক, কি প্ৰসংগত এনেদৰে কৈছিল, লিখা।

(ঘ) ‘‘যুদ্ধৰ উৰাজাহাজৰ বাহিৰেও এই পৃথিৱীৰ আকাশত পখিলাৰ নিচিনা ৰঙীন উৰিব পৰা বস্তু আছে। আৰু ক’লৈকো যাব নালাগে। এইবাৰ থাকি যাওক।’’ কথাষাৰ ব্যাখ্যা কৰা।

৪। (ক) ‘কালিয় দমন’ নাটকত শ্ৰীকৃষ্ণৰ দুমুখীয়া ব্যক্তিত্ব কেনেদৰে ফুটি উঠিছে, বৰ্ণনা কৰা। ১০

*অথবা*

শ্ৰীকৃষ্ণ আৰু যশোদাৰ চৰিত্ৰ সৃষ্টিত নাট্যকাৰৰ সফলতা-বিফলতা কিদৰে প্ৰতিভাত হৈছে, বিচাৰ কৰা।

(খ) ‘‘ ‘মহৰী’ নাটকখনৰ ঠায়ে ঠায়ে গ্ৰাম্য হাস্যৰসৰ প্ৰাধান্য দেখা পোৱা যায়।’’ কথাষাৰ উদাহৰণৰ সৈতে বৰ্ণনা কৰা। ১০

*অথবা*

‘মহৰী’ নাটকৰ অন্তৰ্গত ভাবিৰাম আৰু আব্দুল ৰহমানৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰা।

(গ) নাট্যকাৰ মহেন্দ্ৰ বৰঠাকুৰৰ ‘শৰাগুৰি চাপৰি’ শীৰ্ষক নাটকখনক ‘‘কাল্পনিক ঘটনাৰ উপাদানেৰে সুসমৃদ্ধ ঐতিহাসিক ঘটনাৰ পটভূমিত লিখা এখন সামাজিক নাটক বুলি ক’বলৈহে মন যায়।’’

সমালোচকৰ উপৰোক্ত কথাষাৰি যুক্তিৰে প্ৰতিপন্ন কৰা। ১০

*অথবা*

‘শৰাগুৰি চাপৰি’ নাটকত সাম্প্ৰদায়িক সম্প্ৰীতিৰ মনোভাৱ কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঘ) ‘এজাক জোনাকীৰ জিলমিল’ নামৰ নাটকখনিত বৰ্ণিত সন্ত্ৰাসবাদী তিনিজনৰ চৰিত্ৰ বিশ্লেষণ কৰি, কোনটো চৰিত্ৰক অধিক দূৰদৰ্শী আৰু ক্ৰিয়াশীল বুলি তুমি ভাবা? যুক্তি দৰ্শাই আলোচনা কৰা। ১০

*অথবা*

‘এজাক জোনাকীৰ জিলমিল’ নাটকখনত অসমীয়া সমাজ-জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, বিৱৰি লিখা।

★★★